**REGIONAL NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-03-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। ৰাজ্যত মুঠ ঘৰুৱা উৎপাদন বাৰ্ষিক ১২ দশমিক ৪ শতাংশ বৃদ্ধি হৈছে বুলি চৰকাৰৰ তথ্য দাখিল।

২। অহা মাহৰ প্ৰথম সপ্তাহতে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰিবলৈ ৰাজ্য চৰকাৰৰ ৰাজ্যিক নিৰ্বাচন আয়োগক আহ্বান।

৩। শিলসাকো বিলৰ পুনৰ উজ্জীৱিতকৰণৰ পদক্ষেপ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ কেন্দ্ৰীয় জলশক্তি মন্ত্ৰীৰ সৈতে আলোচনা।

৪। ৰাষ্ট্ৰীয় বাঁহ অভিযানৰ অধীনত ৰাজ্যৰ বিভিন্ন কৃষি বিজ্ঞান কেন্দ্ৰত ৯ খন বাঁহৰ পুলি বাগান স্থাপন কৰা হৈছে বুলি কেন্দ্ৰীয় কৃষি ৰাজ্যমন্ত্ৰীৰ প্ৰকাশ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি। খেলখনক লৈ ক্ৰিকেটপ্ৰেমীৰ মাজত ব্যাপক উচাহ।

০০০০০

২০১১-১২ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ ৰাজ্যত মুঠ ঘৰুৱা উৎপাদন বাৰ্ষিক ১২ দশমিক ৪ শতাংশ বৃদ্ধি হৈছে বুলি বিত্তমন্ত্ৰী অজন্তা নেওগে কালি অসম বিধানসভাত প্ৰকাশ কৰে। এই উৎপাদন ২০১১-১২ বৰ্ষৰ ১ লাখ ৪৩ হাজাৰ ১৭৫ কোটি টকাৰ পৰা ৬ লাখ ৪৩ হাজাৰ ৬৬৭ কোটি টকালৈ বৃদ্ধি পাইছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক কয়। বিধায়ক অখিল গগৈৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰি কয়, যে এই সময়ছোৱাত কৃষি খণ্ডৰ বিকাশৰ হাৰ গড়ে ১২ দশমিক ৫ শতাংশ উদ্যোগ খণ্ডত ১৩ দশমিক ৮ আৰু সেৱা খণ্ডত বিকাশৰ হাৰ ১১ দশমিক ৩ শতাংশ। জনমূৰি আয় ২০১১-১২ বৰ্ষৰ ৪১ হাজাৰ ১৪২ টকাৰ পৰা ২০২৪-২৫ বৰ্ষত ৮১ হাজাৰ ১২৭ টকালৈ বৃদ্ধি পায়। বাৰ্ষিক জনমূৰি আয় বৃদ্ধিৰ হাৰ ৫ দশমিক ৮ শতাংশ বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তদুপৰি ২০১১-১২ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষলৈ দেশৰ মুঠ ঘৰুৱা উৎপাদনলৈ অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ অৱিহণা ১ দশমিক ৬ শতাংশৰ পৰা ১ দশমিক ৮ শতাংশলৈ বৃদ্ধি হৈছে বুলি মন্ত্ৰীগৰাকীয়ে সদনত উল্লেখ কৰে। ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা মূলধনী ব্যয়ৰ পৰিমাণ ক্ৰমাগতভাৱে বৃদ্ধি হৈ ২০২৩-২৪ বিত্তীয় বৰ্ষত এই ব্যয়ৰ পৰিমাণ ২১ হাজাৰ ৫০৯ কোটি টকা হৈছে বুলি শ্ৰীমতী নেওগে সদনক জানিবলৈ দিয়ে।

০০০০০

অসম বিধানসভাৰ ১৫ দিনীয়া বাজেট অধিবেশন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে। যোৱা ১৭ ফেব্ৰুৱাৰীত কোকৰাঝাৰ বিটিচি বিধায়িনী ভৱনত ৰাজ্যপালৰ ভাষণেৰে আৰম্ভ হোৱা বাজেট অধিৱেশনৰ পৰৱৰ্ত্তী কাৰ্যসূচীসমূহ ১৯ ফেব্ৰুৱাৰীৰ পৰা দিছপুৰৰ বিধানসভা ভৱনত অনুষ্ঠিত হয়। ১০ মাৰ্চত বিত্তমন্ত্ৰী অজন্তা নেওগে সদনত ২০২৫-২৬ বৰ্ষৰ বাজেট উত্থাপন কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে এইবাৰৰ বাজেট অধিৰেশনত অসম ব্যক্তিগত বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ৰাজ্যিক বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, অসম ক'চিং ইনষ্টিটিউট নিয়ন্ত্ৰণ আৰু নিয়মাৱলী বিধেয়ক আৰু তিনিখন নতুন বিশ্ববিদ্যালয় স্থাপন বিধেয়ককে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰা হয়। বিধানসভাৰ এইবাৰৰ অধিৱেশনত সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰা, বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অশোভনীয় আচৰণ, বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিতৰ্কিত অডিঅ' বাৰ্তা, উপাধ্যক্ষ ডাঃ নোমল মমিনৰ গাত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই হাত দিয়াৰ অভিযোগ আদি কেইবাটাও বিতৰ্কিত ঘটনা চৰ্চালৈ আহে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সফল সামৰণি আৰু অসমলৈ দেশী-বিদেশী বিনিয়োগকাৰীৰ বিনিয়োগৰ প্ৰস্তাৱ সম্পৰ্কেও সদনত বিবৃতি দিয়ে। অসম বিধানসভাই এইবাৰৰ অধিৱেশনতে ভাৰতীয় ক্ৰিকেট দলৰ চেম্পিয়নছ ট্ৰফী লাভ আৰু অসম সন্তান দেৱজিত শইকীয়া বিচিচিআইৰ সচিবৰূপে নিৰ্বাচিত হোৱাকে ধৰি কেইবাটাও সফলতাৰ বাবে অভিনন্দনসূচক প্ৰস্তাৱ গ্ৰহণ কৰে। কালি সদনৰ

অধিৱেশনৰ সামৰণিত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এইবাৰৰ অধিৱেশনৰ সফল সামৰণিৰ বাবে বিটিচি কৰ্তৃপক্ষ, অসম চৰকাৰ, মুখ্যমন্ত্ৰীকে ধৰি মন্ত্ৰী পৰিষদৰ সদস্যসকল, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ প্ৰতি কৃতজ্ঞতা জনায়।

০০০০০

অহা মাহৰ প্ৰথম সপ্তাহতে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰিবলৈ ৰাজ্য চৰকাৰে ৰাজ্যিক নিৰ্বাচন আয়োগক আহ্বান জনাইছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি এই বিষয়ে সদৰি কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে নিৰ্বাচনী অধিসূচনা জাৰিৰ দিনটোৰ পৰা পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা, নিৰ্বাচনত জয়লাভ কৰাসকলক প্ৰমাণপত্ৰ দাখিল কৰি নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ এমাহ সময়ৰ প্ৰয়োজন হয়। চৰকাৰৰ তৰফৰ পৰা নিৰ্বাচন আয়োগক ৫ মে'ৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ আহ্বান জনোৱা হৈছে। অসম বিধানসভাৰ বাজেট অধিৱেশনত অসম পঞ্চায়ত বিধেয়ক, ২০২৫ গৃহীত হোৱাৰ প্ৰসংগ উত্থাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই বিধেয়কৰ জৰিয়তে পঞ্চায়তী ৰাজ ব্যৱস্থাক অধিক শক্তিশালী আৰু কাৰ্যক্ষম কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

পঞ্চায়ত আইনখনত এইবাৰ ৩ টা নতুন ধাৰা সংযোজন কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে পূৰ্বে পঞ্চায়তসমূহৰ হাট-বজাৰ-ঘাট আদিত কোনোধৰণৰ নিবিদা আহ্বান কৰিব পৰা ক্ষমতা নাছিল। এইবাৰ ৫ লাখ টকালৈকে পঞ্চায়তসমূহে নিবিদা আহ্বান কৰাৰ সুযোগ লাভ কৰিব পৰাকৈ ব্যৱস্থা ৰখা হৈছে। একেদৰে পূৰ্বতে আঞ্চলিক পঞ্চায়তসমূহে ১ লাখতকৈ অধিক আয়যুক্ত হাট-ঘাটসমূহৰ বন্দোৱস্তিৰ ব্যৱস্থা কৰিছিল যদিও এতিয়া গাঁও পঞ্চায়তে ৫ লাখ টকা পৰ্যন্ত আৰু আঞ্চলিক পঞ্চায়তে ১০ লাখ টকাতকৈ অধিক বাৰ্ষিক মূল্যযুক্ত হাট-ঘাটসমূহ পৰিচালনা কৰি তাৰপৰা লাভ কৰা ৰাজহেৰে উন্নয়নমূলক কাম-কাজ কৰাৰ পথ প্ৰশস্ত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জিলা পৰিষদে পূৰ্বে সকলো নিবিদা আহ্বান কৰি পঞ্চায়তৰ ক্ষমতা কেন্দ্ৰীভূত কৰি ৰাখিছিল যদিও এইবাৰ বিধানসভাই জিলা পৰিষদক কেৱল ১০ লাখ টকাৰ ওপৰৰ নিবিদা আহ্বানৰ অধিকাৰ প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

নতুন দিল্লী ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলক সাক্ষাৎ কৰি শিলসাকো বিলৰ পুনৰ উজ্জীৱিতকৰণৰ পদক্ষেপ সন্দৰ্ভত আলোচনা কৰে। মন্ত্ৰীগৰাকীৰ বাসভৱনত কালি হোৱা এখন বৈঠকত মুখ্যমন্ত্ৰীয়ে শিলসাকো প্ৰকল্পৰ লগতে ৰাজ্যখনত জলজীৱন মিছনৰ ৰূপায়ণক লৈও আলোচনা কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমত এই প্ৰকল্পসমূহৰ ৰূপায়ণৰ বুজ লৈ কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰে।

০০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তীব্ৰতৰ হৈছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিত বিজেপি আৰু কংগ্ৰেছ দলে কালি প্ৰচাৰ চলায়।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা পৰিষদীয় সমষ্টি আছে। জিলাখনত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইন।

**বাইট**

০০০০০

দেশত বাঁহৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় বাঁহ অভিযানৰ অধীনত অসমত ২০১৮-১৯ বিত্তীয় বৰ্ষৰ পৰা প্ৰায় ১৯ বৰ্গ কিলোমিটাৰ এলেকাত বাঁহ ৰোপণ কৰা হৈছে। কেন্দ্ৰীয় কৃষি ৰাজ্যমন্ত্ৰী ৰামনাথ ঠাকুৰে এই বিষয়ে উল্লেখ কৰি কয়, যে বিগত ছটা বছৰত অসমত অভিলেখ হাৰত বাঁহ ৰোপণ কৰা হৈছে। ২০২১ বৰ্ষত অসমত বাঁহ ৰোপণ কৰা এলেকা ১০ হাজাৰ ৬৫৯ বৰ্গ কিলোমিটাৰ আছিল যদিও ২০২৩ বৰ্ষত এই এলেকা ১১ হাজাৰ ২৪৬ বৰ্গ কিলোমিটাৰলৈ বৃদ্ধি হয়। এই পৰ্যন্ত ৰাজ্যখনত ১০ খন বাঁহৰ নাৰ্ছাৰী স্থাপন কৰা হৈছে বুলি উল্লেখ কৰি এই নাৰ্ছাৰী বা পুলি বাগানসমূহত বাঁহৰ পুলি উৎপাদনৰ ক্ষমতা বছৰি আঢ়ৈ লাখ বুলি শ্ৰী ঠাকুৰে প্ৰকাশ কৰে। ৰাষ্ট্ৰীয় বাঁহ অভিযানৰ অধীনত অসমৰ ৰাজ্যিক বাঁহ উন্নয়ন সংস্থাই বিভিন্ন কৃষি বিজ্ঞান কেন্দ্ৰত ৯ খন বাঁহৰ পুলি বাগান স্থাপন কৰিছে। তদুপৰি বৰ্ষাৰণ্য

গৱেষণা সংস্থাতো এখন পুলিবাগান মুকলি কৰা হৈছে। অসমৰ বাঁহ-বেতৰ বাবে গ্ৰহণ কৰা আঁচনিৰ অধীনত ৰাজ্যিক বাঁহ উন্নয়ন সংস্থাইও বিভিন্ন পদক্ষেপ লৈছে। অসম ভ্ৰমণলৈ অহা পৰ্যটকসকলে ৰাজ্যখনৰ বাঁহ-বেত শিল্পক নতুন ৰূপ দিয়া সামগ্ৰীসমূহ ক্ৰয় কৰিব পৰাকৈ পৰ্যটনস্থলীসমূহৰ সমীপত বিপণীও স্থাপন কৰা হৈছে। কেন্দ্ৰীয় আঁচনিৰ অধীনত বাঁহৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে কৃষকসকললৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। বাঁহ ৰোপণৰ লগতে ইয়াৰ প্ৰ-সংস্কৰণ, বিপণন আৰু ব্ৰেণ্ড হিচাপে সাজু কৰাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব দিছে বুলি তেওঁ উল্লেখ কৰে। বাঁহৰ সামগ্ৰীসমূহৰ বিপণনৰ বাবে কেন্দ্ৰীয় চৰকাৰে ই-মাৰ্কেট প্লেচ ব্যৱস্থা কাৰ্যকৰী কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। অতিৰিক্তভাৱে অসমকে ধৰি অন্যান্য বাঁহ উৎপাদনকাৰী ৰাজ্যসমূহত সজাগতা সৃষ্টিৰ বাবে বিভিন্ন আলোচনাচক্ৰ, কৰ্মশালা, সজাগতা কাৰ্যসূচী আৰু বাণিজ্য মেলা অনুষ্ঠিত কৰাৰ কথাও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

গুৱাহাটীৰ এটা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক কালি পানবজাৰ আৰক্ষীয়ে গুৱাহাটীৰ পানবজাৰৰ এপেক্স বেংকৰ কাৰ্যালয়ৰ পৰা গ্ৰেপ্তাৰ কৰে। চৰকাৰী বিষয়াৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত সাংবাদিকগৰাকীক জামিন অযোগ্য ধাৰাত গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি আৰু সম্পাদকে কৰ্তব্য পালনৰ বাবে বেংকটোলৈ যোৱা অৱস্থাত সাংবাদিক মজুমদাৰক গ্ৰেপ্তাৰ কৰা ঘটনাৰ গৰিহণা দিছে। ৰাজ্যখনৰ কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিক আৰু সম্পাদকেও সাংবাদিকগৰাকীৰ গ্ৰেপ্তাৰৰ ঘটনাক গৰিহণা দিছে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে অহা ২৯ মাৰ্চ শনিবাৰে গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠানৰ বছা বছা অংশ সেইদিনা নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

ooooo

অসম বিধানসভাৰ বাজেট অধিৱেশন অনিৰ্দিষ্ট কাললৈ স্থগিত, অহা পহিলা এপ্ৰিলৰ পৰা ৰাজ্যত বিদ্যুতৰ নতুন নিৰিখ, গুৱাহাটীত আজি আই পি এলৰ খেল আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে।

অহা পহিলা এপ্ৰিলৰ পৰা ৰাজ্যত প্ৰতি ইউনিট বিদ্যুতত এটকাকৈ হ্ৰাস পাব। অসম ৰাজ্যিক বিদ্যুৎ নিয়ামক আয়োগে বিদ্যুতৰ নতুন নিৰিখ ঘোষণা কৰাৰ এই বাতৰিটো **দৈনিক জনমভূমি** কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **নিয়মীয়া বাৰ্তা** কাকতখনেও অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাংলাদেশত মহম্মদ ইউনুছ নেতৃত্বাধীন চৰকাৰৰ সৈতে দেশখনৰ জনসাধাৰণৰ বিশ্বাস ভংগৰ পৰিৱেশ ক্ৰমাৎ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত সেনা অভ্যুত্থানৰ ভাবুকিৰ পাছত মহম্মদ ইউনুছে দেশখনৰ নিৰ্বাচনৰ সময় ঘোষণা কৰাৰ এটা বাতৰি **আমাৰ অসম** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত আই পি এলৰ এখন খেলত আজি ৰাজস্থান ৰয়েল্‌ছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখনক লৈ গুৱাহাটীত ক্ৰিকেট প্ৰেমীৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে এই সম্পৰ্কীয় এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে 'Guwahati gears up for cricketing extravaganza' শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। ভাৰত আৰু ছিংগাপুৰৰ মাজত সামুদ্ৰিক ডিজিটেল কৰিডৰ সহযোগিতা আৰু ডিকাৰ্বনাইজেচন সন্দৰ্ভত কালি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত এখন উদ্দেশ্য পত্ৰত স্বাক্ষৰ হোৱাৰ এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে। ৰাজ্যৰ কোচিং প্ৰতিষ্ঠানসমূহক নিয়ন্ত্ৰণত ৰখাৰ উদ্দেশ্যে কালি বিধানসভাত

অসম কোচিং প্ৰতিষ্ঠান নিয়ন্ত্ৰণ আৰু নিয়ামক বিধেয়ক  গৃহীত হোৱাৰ বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এম জি এনৰেগাকে ধৰি বিভিন্ন শিতানৰ কেন্দ্ৰীয় পুঁজি সময়মতে মোকলাই নিদিয়া প্ৰসংগক লৈ কালি বিৰোধীয়ে লোকসভাৰ মজিয়াত উত্তপ্ত পৰিৱেশৰ সৃষ্টি কৰাৰ বাতৰিটো **দৈনিক অসম** কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। গুৱাহাটীৰ ছাত্ৰীবাৰীত নিৰ্মীয়মান এটা পুৰণি অট্টালিকাৰ পৰা ইটা পৰি এগৰাকী কণমানিৰ মৃত্যু হোৱাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে। একাদশ শ্ৰেণীৰ পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা সন্দৰ্ভত ১৫ খন বিদ্যালয়ৰ স্বীকৃতি কৰ্তন কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰাৰ বাতৰি **দা টাইম্‌ছ অব্** ইণ্ডিয়া কাকতখনে সবিস্তাৰে প্ৰকাশ কৰিছে। ব'হাগ বিহুৰ পাছতে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। এই বিষয়ক বিতং বাতৰি  **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় আৱিস্কাৰ অভিযানৰ অধীনত সমগ্ৰ শিক্ষা অসমৰ উদ্যোগত গুৱাহাটীৰ শিল্পগ্ৰামত বিজ্ঞান অনুসন্ধান ঃ শিশু বিজ্ঞান সমাৰোহৰ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই প্ৰতিযোগিতা উদ্বোধন কৰে। অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ দ্বাৰা ৰূপায়িত ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাখনত সকলো জিলাৰ মুঠ ১৩৫টা শিক্ষা খণ্ডৰ ছাত্ৰ-ছাত্ৰীয়ে ২৮২টা প্ৰকল্প প্ৰদৰ্শন কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত আজি ৰিয়ান পৰাগৰ নেতৃত্বত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ২৩ বছৰীয়া ক্ৰিকেটাৰ ৰিয়ান পৰাগৰ গৃহ ৰাজ্যত খেল প্ৰদৰ্শন উপভোগ কৰিবলৈ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। তদুপৰি যুৱ ক্ৰিকেটপ্ৰেমীসকলে সঞ্জু ছেমচন, ধ্ৰুৱ জুৰেল, চিমৰণ হেটমায়াৰ, যশস্বী জয়ছৱালৰ উপৰি কলকাতা নাইট ৰাইডাৰ্ছৰ আজিংক্য ৰাহানে, ৰিংকু সিং, আন্দ্ৰে ৰাছেল, ভেংকটেশ আয়াৰ, বৰুণ চক্ৰৱৰ্তী আদিকে ধৰি নিজ নিজ ক্ৰিকেট আইডলসমূহৰ খেল উপভোগ কৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰিছে। আজিৰ খেলখনৰ পৰিপ্ৰেক্ষিতত যান-বাহন আৰক্ষীয়ে গুৱাহাটী মহানগৰত কেতবোৰ পথৰ যাতায়তৰ ক্ষেত্ৰত কিছু সালসলনি কৰিছে। সেই অনুসৰি দিনৰ ২ বজাৰ পৰা নিশা ১২ বজালৈ জি এছ ৰোড, বি কে কাকতি ৰোড, এ কে আজাদ ৰোড, এ কে দেৱ ৰোড, কুল বসুমতাৰী ৰোড, ড০ ভূপেন হাজৰিকা পথ, মৰাভৰলু পথ, এফ এ ৰোড, ধুপলীয়া ৰোড, বিষ্ণুপুৰ ৰোড, বিৰুবাৰী-জি এম চি ৰোড আৰু কাহিলীপাৰা ৰোডত বাণিজ্যিক বাহন আৰু লেহেমীয়া গতিৰ বাহনৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে, বিয়লি চাৰে চাৰি বজাৰ পাছত লালগণেশ তিনিআলিৰ পৰা চাইকেল ফেক্টৰী তিনিআলিলৈ কাৰ পাছ থকা বাহনকহে চলাচলৰ অনুমতি দিয়া হ'ব।

প্ৰতিযোগিতাত একেখন ষ্টেডিয়ামতে অহা ৩০ মাৰ্চত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰাজস্থানৰ ৰয়েলছৰ বিৰুদ্ধে খেলিব।

ইপিনে, আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাৱ কিংছে গুজৰাট টাইটানছক ১১ ৰাণত পৰাস্ত কৰে। পাঞ্জাৱ কিংছে নিৰ্ধাৰণ কৰি দিয়া ২৪৪ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২৩২ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ  সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশৰ কোনো কোনো অংশত পাতলীয়া বৰষুণ হোৱাৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান কেন্দ্ৰই লগতে অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাত বতৰ ঘাইকৈ শুকান হৈ থাকিব বুলি আগজাননী দিছে।

০০০০০

সমাপ্ত